# শিল্পকলাৰ প্ৰস্তুতি আৰু শৈক্ষিক দিশত ইয়াৰ প্ৰয়োজনীয়তা ঃ-

মানৱ সভ্যতাৰ বুৰঞ্জী এখন প্ৰণয়ন কৰিবলৈ গৈ দাৰ্শণিক উইল ডুৰাণ্টে শিল্প কলাৰ বিষয়ে ধেমেলীয়া আৰু আক্ষেপ সুৰত কৈছে — শিল্প কলাৰ পঞ্চাশ হেজাৰ বছৰৰ পুৰণি ইতিহাস থকা সত্বেও আজিলৈকে শিল্প কলাৰ কোনো এটা সংজ্ঞা নিৰূপন কৰিব পৰা নহ'ল। শিল্প কলাৰ সংজ্ঞাৰ ওপৰত বিভিন্ন পণ্ডিতে বিভিন্ন মতামত আগবঢ়ায় সেই সকলৰ ভিতৰত কান্তিবিদ সকলৰ মতে মানুহৰ এটা সহজাত সৌন্দৰ্যস্পৃহা আছে। শিল্প কলা সেই সহজাত সৌন্দৰ্য স্পৃহাৰেই চৰিতাৰ্থতা। সৌন্দৰ্যই মানুহক আনন্দ দিয়ে কাৰণে মানুহে সৌন্দৰ্যৰ সৃষ্টি কৰে শিল্প কলাৰ যোগেৰে। গতিকে শিল্পৰ কথা কবলৈ গলে সৌন্দৰ্য শব্দটোৰে ভুমুকি মাৰি যাবই। শিল্প বা কলা ৰচনা কৰা হয় সত্যম শিৱম সুন্দৰৰ আৰাধনা কৰি শিল্পৰ এটা দৈহিক ৰূপ আছে যি ইন্দ্ৰিয় গ্ৰাহ্য। ঘাইকৈ দুটা ইন্দ্ৰিয়ক কেন্দ্ৰ কৰিয়ে তাৰ জন্ম আৰু পৰিচয়। কিছুমান শিল্পৰ আশ্ৰয় হ'ল কেৱল চকু দৃষ্টি-চিত্ৰ ভাস্কৰ্য্য আৰু স্থাপত্য । কিছুমান হ'ল কেৱল কাণ শ্ৰৱণ যেনে সঙ্গীত আৰু নৃত্যত চকু আৰু কাণ দুয়োটা ইন্দ্ৰিয়ৰে সমান অধিকাৰ। অভিনয় চকুৰে চায় কাণেৰে শুণে । নৃত্য চকুৰে চায় সঙ্গীতে তাৰ ভিত্তি ৰচনা কৰে। ইন্দ্ৰিয়বাহিতাৰ ফালৰ পৰা শিল্পৰ দুটা ধৰ্ম আছে স্থানাশ্ৰয়ী আৰু কালাশ্ৰয়ী। দৃষ্টিয়ে ৰূপৰ উপলব্ধি ঘটোৱা শিল্প কলাই হ'ল স্থানাশ্ৰয়ী। চিত্ৰকলা, স্থাপত্য ভাস্কৰ্য। কাৰণ চকুৰে দেখা বস্তুৱে ভৌতিক জগতৰ (স্থানৰ) একেটা অংশ অধিকাৰ কৰি থাকে । সঙ্গীত আদিয়ে অধিকাৰ কৰি থাকে কালৰ (সময়) একোটা অংশ। এটা নিৰ্দিষ্ট সময়ত এটা গীত আৰম্ভ হয় কিছু সময় ধৰি চলি থাকে আৰু এটা নিৰ্দিষ্ট মুহুৰ্তত শেষ হয়। চিত্ৰকলা,ভাস্কৰ্য কলা স্থাপত্য কলা স্থানাশ্ৰয়ী শিল্প। আনহাতে নৃত্য সঙ্গীত কাব্য আদি কালাশ্ৰয়ী।

ভাৰতীয় শিল্প শাস্ত্ৰত উল্লেখ আছে কলা চৌষষ্ঠি বিধ। এই চৌষষ্ঠি বিধ কলাৰ আটাই কেইবিধকে শিল্প কলা হিচাপে বিৱেচিত কৰা নহয়। প্ৰধানভাৱে ছয়বিধ কলা যেনে চিত্ৰ, ভাস্কৰ্য, স্থাপত্য নৃত্য সঙ্গীত আৰু সাহিত্যহে। চাৰু কলা বা শিল্প কলা বুলি ধৰা হয়। বাকীবোৰ কলা যেনে ৰন্ধন,শিল্প, বয়ন শিল্প, কুটিৰ শিল্প ইত্যাদিৰ আনন্দ অনুভুতি কোনো গভীৰতৰ অস্তিত্বৰ লগত যুক্ত নহয় এইবোৰ শিল্প অকল সৌন্দৰ্য চৰ্চা আৰু মনৰ তৃপ্তিৰ বাবেহে সৃষ্টি কৰা হয়, মানুহৰ দৈনন্দিন ব্যৱহাৰিক দিশৰ ওপৰত গুৰুত্ব দি এনে কলা তৈয়াৰ কৰা হয়। সেইবাবে ইয়াক ব্যৱহাৰিক কলা বা কাৰু কলা বুলিহে কোৱা হয়। আনহাতে চাৰু কলা হ'ল মানুহৰ অন্তৰত সুপ্ত হৈ থকা অনুভুতিৰ নান্দনিক ৰূপত বহিঃ প্ৰকাশ । এই বহিঃ প্ৰকাশ চিত্ৰ, ভাস্কৰ্য, সঙ্গীত নৃত্য আৰু সাহিত্যত জৰিয়তে কৰা হয়। শিল্প হ'ব লাগিলে ভাৱ থাকিবই লাগিব। ভাৱ বিহীন শিল্প হ'ব নোৱাৰে। শিল্প কলা সাধাৰণতে সাধনাৰ জৰিয়তে আয়ত্ব কৰিব পাৰি। শিল্প কলা চৰ্চা কৰাৰ ফল মানৱ শৰীৰৰ সাৰ্বঙ্গীন বিকাশ হয়।

মানুহ যিহেতুকে সমাজপ্রিয় জীৱ । সমাজত সংস্কৃতিবান জাতি হিচাপে জীয়াই থকাৰ এক প্ৰেৰণা লাভ কৰে। শিক্ষাৰ অঙ্গ হিচাপে প্ৰায় প্ৰতিজন নাগৰিকেই শিল্প কলা চৰ্চা কৰা অতি প্ৰয়োজন। শিল্প কলাই মানুহৰ মনত কৌতুহল আৰু আলোৰণ জগাই তোলে। এটা দৃশ্যৰ আকৰ্ষণীয় গঠন আৰু ৰঙৰ সৌন্দৰ্যই যি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে তাৰ ফলতে অনুভুতিৰ জন্ম হয় আৰু চিত্ৰৰ ধাৰণাটোৱেই হ'ল অনুভুতিৰ যথাৰ্থ অভিব্যক্তি বা প্ৰকাশ।

আমাৰ শিক্ষা ব্যৱস্থাত শিল্প কলা যদিও এক বাধ্যাতামূলক বিষয় হিচাপে সন্নিবিষ্ট কৰা হৈছে তাৰ ফলপ্ৰসু ৰিজাল্ট এই পৰ্য্যন্ত ছাত্ৰ ছাত্ৰী সকলে লাভ কৰিবলৈ সক্ষম হ'ব পৰা নাই। ভাৰতবৰ্ষ তথা অসমৰ শৈক্ষিক ক্ষেত্ৰত শিল্প কলা যি ধৰণে গুৰুত্ব দিব লাগিছিল ? এই পৰ্য্যন্ত শিল্প কলা লাগতীয়াল বিষয় হিচাপে বিবেচিত হোৱা নাই। যিটো স্তৰত শিল্প কলাৰ গুৰুত্ব সৰ্বাধিক হোৱা দৰকাৰ তাত কোনো ধৰণৰ ভূমিকা চৰকাৰৰ ফালৰ পৰা লোৱা হোৱা নাই। প্ৰাক প্ৰাথমিক শ্ৰেণীৰ পৰা পঞ্চম মানলৈকে শিল্প কলা বিষয়টিৰ ওপৰত জ্ঞান থকা শিক্ষকৰ নিয়োগৰ কোনো ধৰণৰ ব্যৱস্থা নাই। এই সময়চোৱা ছাত্ৰ ছাত্ৰী সকলৰ জীৱনৰ অতিকৈ মূল্যৱান সময়, প্ৰাক প্ৰাথমিকৰ পৰা পঞ্চম মান শ্ৰেণীলৈকে অংকন কৰা ছাত্ৰ ছাত্ৰী সকলৰ ছৱি সমূহক শিশু চিত্ৰ বুলি কোৱা হয়। শিশুৰ মনোবিজ্ঞানৰ ওপৰত জ্ঞান নাথাকিলে শিশুক শিল্প কলাৰ জ্ঞান দিয়া বাৰুকৈয়ে জটিল। শিল্প কলা যিহেতু এটা ভাষা, আমি আমাৰ মনৰ ভাৱসমূহ ছৱিৰ জৰিয়তে প্ৰকাশ কৰো শিশু সকলেও তেওঁলোকৰ মনৰ অলৌকিক কল্পনা , ভাৱনা সমূহ ৰং পেঞ্চিলে আঁক বাক কৰি প্ৰকাশ কৰে। এই বয়সৰ ছাত্ৰ ছাত্ৰী সকলে ডাঙৰৰ দৰে ছৱি অংকন নকৰে, বাস্তৱ জগত খনক যেনেদৰে দেখা তেনেদৰে অংকন নকৰে, তেওঁলোকে নিজে যেনেদৰে জানে তেনে ধৰণে আঁকে, আনে দেখি তেওঁলোকৰ ছৱি ভাল পাৱনে নাই তাৰ ওপৰত গুৰুত্ব নিদিয়ে। তেওঁলোকে আনৰ কাৰনে ছৱি অংকন নকৰে। নিজৰ কাৰণেহে আঁকে, আনে শিশুৰ ছৱি বেয়া বুলি ক'লে সিঁহতে মনত বৰ আঘাত পায়। শিশুৰ এখন নিজৰ জগত আছে যি জগত আপোনাৰ মোৰ লগত মিল নাই। সিঁহতৰ ছৱি সমূহ অ-বাস্তৱ, অলৌকিক, শিশুৰ কল্পনা শক্তি চিন্তা ভাৱনা আমাৰ সম্পূৰ্ণ বিপৰীত শিশুৰ ছৱিত ডাঙৰে কেতিয়াও হাত বুলাৰ নালাগে  সিঁহতে যেনেদৰে জানে তেনেদৰে আঁকিব দিব লাগে শিশুৰ ছৱি ৰং প্ৰধান, ৰঙা, নীলা হালধীয়া উজ্বল ৰং শিশুৰ বৰ প্ৰিয় আৰু ছৱি বোৰ ৰেখা প্ৰধান , ৰেখাৰ এক স্বতঃ স্ফূৰ্ত গতি দেখা যায়। ক'ৰ পৰা আৰম্ভ কৰি ক'ত শেষ কৰে তাক ক'ব নোৱাৰি। শিশুৰ ছৱি ডাঙৰে হাজাৰ চেষ্টা কৰিও আঁকিব নোৱাৰে। গতিকে এই সময় ছোৱাত যদি শিশুক ভুল পথে শিল্প কলাৰ জ্ঞান দিয়া হয় ভৱিষ্যতে শিশুক বিপথে পৰিচালিত হোৱাৰ সম্ভাৱনা অধিক। এই সময়ছোৱাত এজন অভিজ্ঞ চিত্ৰ শিল্পীৰ জৰিয়তে শিশুক শিল্প কলাৰ পাঠদান দিব পাৰিলে অধিক ফলপ্ৰসু হ'ব বুলি আমাৰ ভাব হয়।

মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰ্য্যায়টো একেই অৱস্থা। বিষয় আছে, শিক্ষক নাই। নগৰ অঞ্চলত যদিও দুই এখন স্কুলত শিক্ষক দেখা যায়, গ্ৰামাঞ্চলত বিদ্যালয় সমূহত এজনো শিল্প কলাৰ শিক্ষক দেখা নাযায়। বৰ্তমান সময়ত প্ৰায় গৰিষ্ঠ সংখ্যক ছাত্ৰ ছাত্ৰীয়ে শিল্প শিক্ষা চৰ্চা কৰা দেখা যায়। শণিবৰীয়া আৰু ৰবিবাৰত ব্যক্তিগত খণ্ডত গঢ়লৈ উঠা শিল্প কলা বিদ্যালয় সমূহত আৰ্থিকভাৱে সবল অভিভাৱক সকলৰ ল'ৰা ছোৱালীয়ে তাত শিল্প শিক্ষা ল'ব পাৰে। আৰু দুখীয়া নিচলা ছাত্ৰ ছাত্ৰী সকলে সদায় বঞ্চিত হৈ আহিছে । যদি আমাৰ বিদ্যালয় সমূহত শিল্প কলা অধ্যয়ন কৰাৰ ব্যৱস্থা থাকিল হয় নিশ্চয় এই শণিবৰীয়া আৰু ৰবিবৰীয়া স্কুল সমূহত ছাত্ৰ ছাত্ৰীৰ ভিৰ কৰিবলগীয়া নহ'ল হয়। আৰু সকলোৱে ধনী দুখীয়াৰ ভেদাভেদ নাথাকি এক সুষ্ঠ বাতাবৰনত শিল্প কলাৰ সৃষ্টি হ'লহেতেন।

ছাত্ৰ ছাত্ৰী সকলে শিল্প কলা অধ্যয়ণ বা চৰ্চা কৰাৰ মূল উদ্দেশ্য এজন শিল্পী  হোৱাই নহয়। এশ জনৰ ভিতৰত এজন বা দুজন হয়তো এদিন শিল্পী হৈ ওলাব পাৰে। তথাপিও বাকীবোৰে শিল্প চৰ্চা কৰাত গুৰুত্ব সৰ্বাধিক, ইয়াৰ প্ৰয়োজনীয়তা অতুলনীয়। এখন সুষ্ঠ সমাজ, এজন সু-নাগৰিক সংস্কৃতিবান ,কলা প্ৰেমী ব্যক্তিত্বৰ অধিকাৰী হ'বলৈ হ'লে কলা চৰ্চাৰ প্ৰয়োজনীয়তা নিতান্তই দৰকাৰী। কলাই মানুহক প্ৰতিটো মুহুৰ্ততে আনন্দ প্ৰদান কৰে। কলা সৃষ্টি আৰু ইয়াৰ ৰস গ্ৰহণ কৰিব পৰা দক্ষতা আহৰণ কৰিব পাৰিলে জীৱনত পৰম সুখ তথা আনন্দ লাভ কৰিব পাৰি এই আনন্দ আৰু মানসিক তৃপ্তিয়ে মানুহক জীৱন আত্মা আৰু পৰমাত্মাৰ মিলন সম্ভৱ হৈ উঠে । মানুহে এক ঐশ্বৰিক শক্তি লাভ কৰিব পাৰে, কলাৰ সাধনাৰ জৰিয়তে। মানুহক বৌদ্ধিক, আধ্যাত্মিক, মানসিক, শাৰিৰীক, সবল কৰি তোলে। আজিৰ নৱ প্ৰজন্মক কলা চৰ্চাই বিপথে পৰিচালিত কৰাৰ পৰা ৰোধ কৰিব পাৰে। সেই হেতুকে কলাক আমি সকলোৱে গুৰুত্ব সহকাৰে লৈ আমাক শৈক্ষিক দিশত ইয়াৰ সু প্ৰয়োগ কৰাত ব্যৱস্থা কৰিব লাগে।